# ছিপাঝাৰ মহাবিদ্যালয়

স্থাপিত ঃ ১৯৭১ চন

## অনুষ্ঠান বিৱৰণী

শিক্ষা বছৰ—১৯৯২-৯৩

ছিপাঝাৰ ঃ দৰং

[ অসম ]

# ছিপাঝাৰ মহাবিদ্যালয়ৰ চমু বিৱৰণ

১৯৭১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমতিৰে শুভাৰম্ভ কৰা ছিপাঝাৰ মহাবিদ্যালয়খনিয়ে দৰং জিলাৰ সমগ্ৰ দক্ষিণ পশ্চিমাঞ্চল আৰু কামৰূপ জিলাৰ সীমান্তৱৰ্তী এটি সুবৃহৎ এলেকাৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান হিচাপে শিক্ষা প্ৰচাৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ১৯৮৬ চনৰ ফেব্ৰুৱাৰী মাহৰে পৰা অসম চৰকাৰৰ ঘাটী-মঞ্জুৰী লাভ কৰি যথেষ্ট সংখ্যক মাটি-বৃত্তি, ঘৰ-দুৱাৰ প্ৰয়োজনীয় সা-সুবিধা, ছাত্ৰাবাস, ছাত্ৰীনিবাস আদিৰ অভাৱ স্বত্বেও আঞ্চলিক শিক্ষা বিস্তাৰত এই উচ্চ শিক্ষানুষ্ঠানটিয়ে খোপনি পুতিবলৈ সমৰ্থ হৈছে।

উপযুক্ত আৰু সময়োপযোগী শিক্ষাৰ চাহিদা পূৰণৰ ক্ষেত্ৰত ভবিষ্যতৰ মহৎ সম্ভাৱনা নিহিত হৈ থকা এই মহাবিদ্যালয়খনিত প্ৰথমে আৰম্ভ কৰা কলা বিভাগটি পৰিপূৰ্ণ কৰাৰ বাবে বৰ্তমান অবিৰত প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। লগে লগে বৃহৎ অঞ্চলটিত থকা বিজ্ঞান আৰু বাণিজ্য শিক্ষাৰ চাহিদাৰ প্ৰতিও কৰ্তৃপক্ষই দৃষ্টি দি আহিছে। আঞ্চলিক ৰাইজৰ আৰু এটি উদ্দীপনাময় প্ৰচেষ্টা আৰু চৰকাৰী কৰ্তৃপক্ষৰ শুভদৃষ্টি হলে অচিৰেই এই বিভাগ দুটিও খুলিব পৰা হব বুলি মহা-বিদ্যালয় কৰ্তৃপক্ষই বিবেচনা কৰে।

**নাম ভৰ্তিৰ শ্ৰেণী সমূহঃ—** মহাবিদ্যালয়ত বৰ্ত্তমান উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ কলা বিভাগৰ দুবছৰীয়া পাঠ্যক্ৰমৰ ১ম বাৰ্ষিকত আৰু তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰমৰ ( কলা বিভাগ ) ১ম বাৰ্ষিকত নাম ভৰ্তিৰ ব্যৱস্থা হাতত লোৱা হৈছে।

মহাবিদ্যালয়ত প্ৰতিবছৰে যোগ্যতাৰ ভিত্তিত ১ম বাৰ্ষিকত সীমিত সংখ্যক ছাত্ৰ-ছাত্ৰীৰহে নাম ভৰ্তি কৰা হয়।

# শিক্ষাৰ বিষয় বাছনি নিৰ্দ্দেশক নিয়ম

উচ্চতৰ মাধ্যমিক শ্ৰেণী কলা বিভাগ—

প্ৰাৰ্থীয়ে ইংৰাজী আৰু অসমীয়া ( আধুনিক ভাৰতীয় ভাষা )ৰ লগতে. তলৰ (ক) অংশৰ পৰা যিকোনো দুটা আৰু (খ) অংশৰ পৰা ৪ৰ্থ ঐচ্ছিক বিষয় সহ দুটা মুঠ চাৰিটা বিষয় নিৰ্বাচন কৰিব লাগিব।

ক) অংশ—অৰ্থনীতি, ৰাজনীতি বিজ্ঞান, শিক্ষা।

খ) অংশ—উচ্চ অসমীয়া, ভূগোল বিজ্ঞান, বুৰঞ্জী, তৰ্ক বিজ্ঞান।

বিষয় আৰু নম্বৰ ঃ

১। বাধ্যতামূলক বিষয়—

ক) ইংৰাজী—(১০০ নম্বৰকৈ ২খন প্ৰশ্ন কাকত ) মুঠ=২ × ১০০ =২০০

খ অসমীয়া মুখ্য ভাৰতীয় ভাষা—১০০ নম্বৰকৈ ১ খন প্ৰশ্ন কাকত মুঠ—১ × ১০০ = ১০০

২। ঐচ্ছিক বিষয়—যিকোনো তিনিটা ( প্ৰত্যেক বিষয়ৰ ২খন প্ৰশ্ন কাকত ) মুঠ - ৩ × ২০০ = ৬০০

৩। অতিৰিক্ত ৪ৰ্থ ঐচ্ছিক বিষয়ৰ যিকোনো এটা ১০০ নম্বৰকৈ ২খন প্ৰশ্ন কাকত ) মুঠ ২ × ১০০ = ২০০

৪। ক) উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ নীতি নিৰ্দেশনা-

উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ নতুন নীতিমতে তলত দেখুওৱা ধৰণে পৰীক্ষাসমূহ পৰিচালিত হব।

| | |
|---|---|
| ১ম বাৰ্ষিকৰ শেষত শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হব। উক্ত পৰীক্ষাত তলত দেখুৱা ধৰণে বিষয় আৰু নম্বৰ থাকিব। | ২য় বাৰ্ষিক শিক্ষান্ত পৰীক্ষা উচ্চ-তৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা পৰিচালিত হব। |

| ১ম বাৰ্ষিক পৰীক্ষা | উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা |
|---|---|
| ১। ইংৰাজী—১০০ নম্বৰ<br>২। ঐচ্ছিক বিষয়—১০০ × ৩ = ৩০০ নম্বৰ<br>৩। ঐচ্ছিক বিষয় (ব্যৱহাৰিক বিষয়ৰ ) ১০০ নম্বৰ | ১। ইংৰাজী—১০০ নম্বৰ<br>২। অসমীয়া (মুখ্য ভাৰতীয় ভাষা) ১০০ নম্বৰ<br>৩। ঐচ্ছিক বিষয় ৩০০ নম্বৰ<br>৪। ঐচ্ছিক বিষয় (ব্যৱহাৰিক) (৭০ + ৩০) = ১০০ |
| মুঠ নম্বৰ—৫০০ | মুঠ -৬০০ |

খ) উত্তীৰ্ণৰ নম্বৰ — ক) পাচ নম্বৰ—৩০%

গ) ব্যৱহাৰিক বিষয়ৰ—৪০%

## স্নাতক শ্ৰেণীৰ ( কলা শিক্ষাৰ বিষয় বাছনি নিৰ্দেশক আৰু চমু পাঠ্যক্ৰম )

প্ৰথম খণ্ড : ১ম আৰু ২য় বাৰ্ষিক শ্ৰেণী

দ্বিতীয় খণ্ড : ৩য় বাৰ্ষিক শ্ৰেণী

সাধাৰণ পাঠ্যক্ৰম –

বাধ্যতামূলক বিষয় : ১। ইংৰাজী

২। অসমীয়া ( মুখ্য ভাৰতীয় ভাষা )

৩। ফাউণ্ডেচন ক'ৰ্চ

ইয়াৰ বাহিৰেও তলৰ তিনিটা অংশৰ যিকোনো দুটাৰপৰা এটাকৈ মুঠ দুটা বিষয় লব পাৰিব ।

ক) অংশ –অৰ্থনীতি, ঐচ্ছিক অসমীয়া

খ) অ(শ –ৰাজনীতি বিজ্ঞান, ভূগোল

গ) অংশ—শিক্ষা, দৰ্শন, বুৰঞ্জী

[ ৰাজনীতি বিজ্ঞান আৰু শিক্ষা বিষয়ত থকা সীমিত আসন যোগ্যতাৰ ভিত্তিত পূৰণ কৰা হব । ]

### সাধাৰণ পাঠ্যক্ৰমত বিষয় আৰু নম্বৰ—

| | |
|---|---|
| ১। ইংৰাজী | ২০০ |
| ১। অসমীয়া ( মুখ্য ভাৰতীয় ভাষা ) | ২০০ |
| ৩। ফাউণ্ডেচন ক'ৰ্চ | ১০০ |
| ৪। ঐচ্ছিক— নং ১ | ৩০০ |
| ৫। ঐচ্ছিক—নং ২ | ৩০০ |
| মুঠ নং— | ১১০০ |

# গুৰু পাঠ্যক্ৰম
## ( MAJOR COURSE )

বিষয় ১। অসমীয়া ২। ৰাজনীতি বিজ্ঞান ৩। ভূগোল ৪। অৰ্থনীতি

গুৰু পাঠ্যক্ৰম লব খোজা ছাত্ৰ-ছাত্ৰীসকলে সেই বিষয়ৰ মুৰব্বী অধ্যাপকৰ জৰিয়তে অধ্যক্ষলৈ আবেদন কৰিব লাগিব। যোগ্যতাৰ ভিত্তিতহে গুৰু পাঠ্যক্ৰম লবলৈ দিয়া হব।

প্ৰথম খণ্ডত ঐচ্ছিক বিষয়ৰ গুৰু পাঠ্যক্ৰম ললে সেই বিষয়টো উল্লেখ কৰি আৰু এটা ঐচ্ছিক বিষয় ললেই হব।

অসমীয়া গুৰু পাঠ্যক্ৰম লোৱাসকলে অসমীয়া ঐচ্ছিক বিষয় লব নোৱাৰে। গুৰু পাঠ্যক্ৰম আৰু ঐচ্ছিক অসমীয়া ( মুখ্য ভাৰতীয় ভাষা ) একেখন হব। ২য় খণ্ডত গুৰু পাঠ্যক্ৰমৰ ৬খন প্ৰশ্ন কাকত ( মুঠ নং ৬০০ ) পঢ়িব লাগিব। আন কোনো ঐচ্ছিক বিষয়ৰ পাঠ্যক্ৰম নাথাকে।

### নাম ভৰ্তিৰ বাবে আৱশ্যকীয় নথি-পত্ৰ

প্ৰথম বাৰ্ষিক শ্ৰেণী—

ক) শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ প্ৰমাণ পত্ৰ আৰু প্ৰত্যায়িত নম্বৰৰ তালিকা।

খ) নাগৰিকৰ প্ৰমাণ পত্ৰ।

গ) প্ৰ-পত্ৰত পাচপৰ্ট চাইজৰ ফটো।

### নাম ভৰ্তিৰ বিশেষ কেইটামান নিয়ম

১। নাম ভৰ্তিৰ আবেদন পত্ৰ পূৰাকৈ পূৰ্ণ কৰা হব লাগিব।

২। নিৰ্দিষ্ট সময়ৰ ভিতৰত আবেদন পত্ৰ দাখিল কৰিব লাগিব।

৩। নাম ভৰ্তিৰ বাবে বিবেচিত হলে নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পূৰ্ণ ধন আদায় দি নাম ভৰ্তি কৰিব লাগিব।

দ্বিতীয় বাৰ্ষিক শ্ৰেণী—

১। ১ম বাৰ্ষিকৰ প্ৰমোচনী পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে নিৰ্দিষ্ট সময়ৰ ভিতৰত নাম ভৰ্তি কৰিব লাগিব। অন্যথাই ২য় বাৰ্ষিকৰ ছাত্ৰ হিচাপে গণ্য কৰা নহব।

২। শিক্ষা বছৰৰ আৰম্ভণিতে আন মহাবিদ্যালয়ৰপৰা বদলি হৈ আহি নাম ভৰ্তি কৰিব খোজা ছাত্ৰ-ছাত্ৰীয়ে অধ্যক্ষৰ আগতীয়া অনুমতি লব লাগিব।

৩। বাছনি পৰীক্ষাৰ আগত পাঠ্যক্ৰম বছৰ সম্পূৰ্ণ কৰি ( আগন্তুক মে' মাহলৈ ) শিক্ষা মাছুল আদায় দিয়া ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত বহাৰ সুবিধা পাব।

## নাম ভৰ্তিৰ মাছুল

**উচ্চতৰ মাধ্যমিক শ্ৰেণী**

| | |
|---|---|
| ভৰ্তি মাছুল— | ১০.০০ টঃ |
| মাহিলি মাছুল (জুন/জুলাই/আগষ্ট)— | ৩০.০০ „ |
| (ছাত্ৰীৰ বাবে ৰেহাই) | |
| পঞ্জীয়ন মাছুল — | ১৫.০০ „ |
| তালিকা ভুক্তিকৰণ | ৫.০০ „ |
| পৰিচয় পত্ৰ | ৫.০০ „ |
| আভ্যন্তৰীণ পৰীক্ষা | ২৫.০০ ” |
| গৃহ নিৰ্মাণ | ৪০.০০ „ |
| জিৰণি কোঠা | ৫.০০ „ |
| মহাবিদ্যালয় কল্যাণ নিধি | ১০.০০ ” |
| খেলা ধূলা | ১০.০০ „ |
| পুথিভঁড়াল | ১০.০০ „ |
| আলোচনী | ২০.০০ „ |
| বিজুলী বাতি | ১০.০০ „ |
| ছাত্ৰ সাহায্য নিধি ( বুক বেঙ্ক ) | ৫.০০ „ |
| ছাত্ৰ সভা | ১৫.০০ ” |
| প্ৰমাণ পত্ৰ | ২.০০ „ |
| | ২১৭.০০ ট |
| ভুগোল ব্যৱহাৰিক মাছুল— | ১০.০০ „ |
| মুঠ— | ২২৭.০০ টঃ |

**স্নাতক শ্ৰেণী**

| | |
|---|---|
| ভৰ্তি মাছুল— | ১২.০০ টঃ |
| মাহিলি মাছুল ( জুন/জুলাই/আগষ্ট ) | ৩৬.০০ „ |
| পঞ্জীয়ন মাছুল | ৩০.০০ „ |
| তালিকা ভুক্তিকৰণ | ৩.০০ „ |
| পৰিচয় পত্ৰ | ৫.০০ „ |
| আভ্যন্তৰিণ পৰীক্ষা | ২৫.০০ „ |
| গৃহ নিৰ্মাণ | ৪০.০০ „ |
| জিৰণি কোঠা | ৫.০০ „ |
| মহাবিদ্যালয় কল্যাণ নিধি | ১০.০০ ” |
| খেলা-ধূলা | ১০.০০ „ |
| পুথিভঁৰাল | ১০.০০ „ |
| আলোচনী | ২০.০০ „ |
| বিজুলী বাতি | ১০.০০ „ |
| ছাত্ৰ সাহায্য নিধি ( বুক বেঙ্ক ) | ৫.০০ „ |
| ছাত্ৰ সভা | ১৫.০০ „ |
| প্ৰমাণ পত্ৰ | ২.০০ „ |
| | ২৩৮.০০ টকা |
| ভুগোল | ১০.০০ টকা |
| মুঠ - | ২৪৮.০০ টকা |

উপস্থিতি ঃ প্ৰতি বিষয়ত ছাত্ৰ-ছাত্ৰীয়ে শতকৰা ৭৫ হাৰত শ্ৰেণীত উপস্থিত থাকিব লাগিব। অন্যথাই অনিয়মীয়া ছাত্ৰ গণ্য কৰা হব।

পৰীক্ষা ঃ বছৰৰ ভিতৰত মধ্যকালীন পৰীক্ষা হব আৰু শেষৰ-পিনে প্ৰমোচনী বা বাছনি পৰীক্ষা হব। পৰীক্ষাসমূহ বাধ্যতামূলক আৰু তলত উল্লেখ কৰা যিকোনো এটা অনুপাতত প্ৰমোচনী বা বাছনিকত নম্বৰ পাব লাগিব।

বছৰেকীয়া বা বাছনী পৰীক্ষাত—৩০./॰, ৩৫./॰, ৪০./॰

এটিও পৰীক্ষাত উপস্থিত নাথাকিলে যিকোনো কাৰণতে উত্তীৰ্ণ বুলি ঘোষণা কৰা নহয়। শ্ৰেণীত উপস্থিত নিয়মীয়া হলে আৰু বেছি ভাগ পৰীক্ষাত উপস্থিত থাকিলে সহানুভূতিৰে বিবেচনা কৰা হব।

শিক্ষা (টিউচন) মাচুল ঃ শিক্ষা মাচুল প্ৰতি মাহে মাহে আদায় দিব লাগিব, অন্যথাই প্ৰতি মাহে ৫·০০ টকাকৈ জৰিমনা দিব লাগিব। উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰীসকলে শিক্ষা মাচুল দিব নালাগে।

## বৃত্তি

চৰকাৰী ভাবে আগবঢ়োৱা তলত উল্লেখ কৰা বৃত্তিসমূহ যোগ্যতা অনুসাৰে ছাত্ৰ-ছাত্ৰীয়ে পাব পাৰে।

১। ৰাষ্ট্ৰীয় ঋণ বৃত্তি (National Loan Scholarship)
২। ৰাষ্ট্ৰীয় যোগ্যতা ভিত্তিক বৃত্তি (National Merit)
৩। ৰাজ্যিক যোগ্যতা ভিত্তিক বৃত্তি (State Merit)
৪। যোগ্যতা আৰু সংস্থান ভিত্তিক বৃত্তি (Merit Cum-Means)
৫। অনুসূচীত জাতি আৰু জনজাতি বৃত্তি (ST/SC Scholarship)
৬। ৰাজনৈতিক নিৰ্য্যাতিত বা দুখীয়াৰ বাবে বৃত্তি (Political sufferer)
৭। অন্যান্য পিছপৰা জাতিৰ বাবে বৃত্তি (O.B.C scholarship)

মহাবিদ্যালয়ত নিয়মীয়া উপস্থিত নাথাকিলে আৰু শৃঙ্খলাহীনতাৰ বাবে বৃত্তি বন্ধ থাকিব।

# প্ৰমাণ পত্ৰ

তলত উল্লেখিত স্বৰ্ত সাপেক্ষে মহাবিদ্যালয়ৰপৰা ছাত্ৰ-ছাত্ৰীসকলৰ চৰিত্ৰ আৰু অধ্যয়নৰ প্ৰমাণ পত্ৰ দিয়া হয়।

১। শ্ৰেণীত উপস্থিত ভাল হব লাগিব।

২। মধ্যকালীন পৰীক্ষাবিলাকত উপস্থিত থাকিব লাগিব।

৩। মহাবিদ্যালয়ৰ শান্তি শৃঙ্খলা হানিকৰ কাৰ্য্যৰপৰা বিৰত থাকিব লাগিব।

৪। গ্ৰন্থগাৰৰ কিতাপ ঘূৰাই দিব লাগিব।

৫। মহাবিদ্যালয়ৰ আৱশ্যকীয় মাচুল সম্পূৰ্ণ আদায় দিব লাগিব।

৬। ছাত্ৰ সভাৰ সদস্যৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত প্ৰবক্তাই দায়মুক্ত বুলি লিখি দিব লাগিব।

এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ৰ পৰীক্ষা উত্তীৰ্ণ হৈ বা নহলেও মহাবিদ্যালয়ৰপৰা প্ৰমাণ পত্ৰ বিচাৰিলে ওপৰৰ স্বৰ্ত আৱশ্যক মতে মানিব লাগিব।

আন কিবা কাৰণত মহাবিদ্যালয়ৰপৰা বদলি হৈ গলেও ওপৰৰ আটাইবিলাক স্বৰ্ত আৱশ্যকমতে মানিলেহে প্ৰমাণ পত্ৰ দিয়া হব।

# মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ

ছিপাঝাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োজনীয় পাঠ্যপুথিৰ এটি গ্ৰন্থাগাৰ আছে। উক্ত পাঠ্যপুথিসমূহ ছাত্ৰ-ছাত্ৰীসকলক বিভাগীয় নিয়ম অনুসৰি পঢ়িবৰ বাবে দিয়া হয়।

ছাত্ৰ সাহায্যনিধিৰ ধনেৰে মহাবিদ্যালয়ত এটি Book Bank খোলা হৈছে। উক্ত Book Bankৰ সুবিধা দুখীয়া আৰু মেধাবী ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত প্ৰমাণ সাপেক্ষে পাব।

ছাত্ৰ-ছাত্ৰীয়ে ১৫ দিনৰ ভিতৰত কিতাপ ঘূৰাই দিব লাগিব। তাৰ অধিক দিন ৰাখিলে প্ৰতিদিনে ১০ (দহ) পইচাকৈ জৰিমনা দিব লাগিব।

পুথিভঁড়ালৰ কিতাপ ঘূৰাই নিদিলে ছাত্ৰ-ছাত্ৰীৰ বিৰুদ্ধে নীতিমতে ব্যৱস্থা গ্ৰহণ কৰা হব।

# শিক্ষানুষ্ঠানৰ মানিবলগীয়া শৃংখলা আৰু নীতি-নিয়ম

মহাবিদ্যালয়ত থকা কালছোৱাত সকলো ছাত্ৰ-ছাত্ৰীয়ে সকলো শৃঙ্খলাবদ্ধতা ৰক্ষা কৰি চলিব লাগিব। অন্যথাই তেওঁলোকক প্ৰশংসা পত্ৰ দিয়া নহব। বিশৃঙ্খলতাৰ নথী থকা ছাত্ৰ-ছাত্ৰক প্ৰমোচন বা পৰীক্ষাত বহিবলৈ দিয়া নহব পাৰে। যিকোনো পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰা ছাত্ৰ-ছাত্ৰীক শৃঙ্খলা ভঙ্গকাৰী বুলি গণ্য কৰি অসমৰ শিক্ষা বিভাগৰ বিধি অনুযায়ী বিশৃঙ্খলাজনিত কাৰণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হব।

অসম চৰকাৰৰ শিক্ষা বিভাগে ধাৰ্য্য কৰা শৃঙ্খলাবদ্ধতাৰ কিছুমান নিয়মাৱলী আৰু আদেশ।

১। নিম্নোক্ত যিকোনো এটি কৰ্ম গুৰুত্বপূৰ্ণ অপৰাধ বুলি গণ্য কৰা হব।

ক) অনিয়মীয়া উপস্থিতি অভ্যাসজনিত নিয়মানুবৰ্তিতা অভ্যাস।

খ) কু-অভ্যাসজনিত কাৰ্য্য।

গ) মহাবিদ্যালয়ৰ চৌহদত মাদকদ্ৰব্যৰ সেৱন কাৰ্য্য।

ঘ) কোনো ধৰ্মঘট বা হকাবধাকৰণ কাৰ্য্য।

ঙ) হিংসাজনিত যিকোনো কাৰ্য্যক প্ৰশ্ৰয় দিয়া কাৰ্য্য।

চ) ভাৰতীয় দণ্ডবিধি আইনে জগৰীয়া কৰা যিকোনো কাৰ্য্য।

ছ) মহাবিদ্যালয়ৰ চৌহদত অধ্যক্ষৰ বিনা অনুমতিত যিকোনো সভা আহ্বান কৰা কাৰ্য্য।

জ) ৰাজহুৱা অশান্তি বা ৰাজহুৱা শান্তি ভঙ্গ কৰিব পৰা যিকোনো কাৰ্য্য।

২। মহাবিদ্যালয় চৌহদ অধ্যক্ষৰ দ্বাৰা স্বীকৃত সংগঠনেহে ব্যৱহাৰ কৰিব পাৰিব।

৩। মহাবিদ্যালয়ৰ চৌহদত কোনো জাননী দিবলীয়া হলে অধ্যক্ষৰ আগতীয়াকৈ অনুমতি লব লাগিব।

৪। মহাবিদ্যালয়ৰ প্ৰশাসন বিভাগে সংগঠনসমূহ প্ৰয়োজন অনুসৰি নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰিব।

৫। কোনো ছাত্র-ছাত্রীৰ শৃংখলা ভঙ্গতাৰ বাতৰি শিক্ষকবৃন্দৰ দৃষ্টিগোচৰ হলে, তেতিয়াই তেওঁলোকে তৎক্ষণাৎ অধ্যক্ষকক অৱগত কৰাব আৰু শাস্তি বিধানৰ পৰিমাণ সম্পৰ্কে পৰামৰ্শ আগবঢ়াব।

৬। কোনো ছাত্র-ছাত্রীয়ে গুৰুতৰ অপৰাধ কৰিলে তেওঁলোকৰ জৰিমনা, নিলম্বিত বা বহিষ্কৃত অথবা বৃত্তি বিলুপ্তি সাধন হব।

৭। শৃংখলাজনিত সকলো কথা বা কাৰ্য্যৰ বাবে অধ্যক্ষৰ সিদ্ধান্ত চূড়ান্ত বুলি পৰিগণিত হব।

## ছাত্র সভা

মহাবিদ্যালয়ৰ এখন ছাত্র সভা ( Students' Union ) থাকিব। মহাবিদ্যালয়ৰ সকলো ছাত্র ছাত্রীয়ে মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ সদস্য। উক্ত ছাত্র সভা মহাবিদ্যালয়ৰ ছাত্র সভাৰ লিখিত সংবিধান অনুযায়ী পৰিচালিত হব। ছাত্র একতা সভাৰ সভাপতি, অধ্যক্ষ, উপ-সভাপতি উপাধ্যক্ষ বা তেখেতৰ অসুবিধাবশতঃ আন প্ৰবক্তা হব পাৰিব।

সভাপতিৰ অনুপস্থিতিত উপ সভাপতিয়ে সভাপতিত্ব কৰিব। উপাধ্যক্ষ, ছাত্র-ছাত্রীৰ দৈনিক প্ৰশাসনৰ দায়িত্বত থাকিব। ছাত্র সভাৰ প্ৰত্যেক বিভাগ একোজনকৈ প্ৰবক্তাৰ তত্বাৱধানত থাকিব। উক্ত তত্বাৱধায়কসকলক অধ্যক্ষই মনোনীত কৰিব।

সাধাৰণ সম্পাদককে আদি কৰি ছাত্র একতা সভাৰ প্ৰত্যেক বিভাগীয় সম্পাদকে মহাবিদ্যালয়ৰ নিয়ম শৃংখলা মানি নচলিলে অধ্যক্ষই ছাত্র একতা সভা ভঙ্গ কৰি দি নিজে ছাত্র সভা নতুনকৈ গঠন কৰি দিব।

## ছাত্র একতা সভাৰ পৰিচালনাৰ বিশেষ কেইটামান নীতি

১। নতুনকৈ নিৰ্বাচিত হোৱা ছাত্র একতা সভাই শপত গ্ৰহণ কৰাৰ পিচতেই প্ৰত্যেক বিভাগৰ সম্পাদকে তত্বাৱধায়কসকলৰ সৈতে সেই পাঠ্যক্ৰম বছৰৰ সংগৃহীত ধনৰ ওপৰত বছৰৰ বাবে বাজেট প্ৰস্তুত কৰিব। উক্ত বাজেট একতা সভাত গৃহীত হলেহে সেই অনুক্ৰমে নীতিগতভাবে কাৰ্য্য পৰিচালনা কৰিব পাৰিব।

২। প্ৰত্যেক বাজেটৰ একোটাকৈ কপি অধ্যক্ষক দিব লাগিব। আৰু সেই বাজেট মতেই বিভিন্ন বিভাগৰ কাৰ্য্য পৰিচালনা হ'ব।

৩। তত্বাৱধায়কৰ অজ্ঞাতে কৰা কোনো খৰচ গ্ৰহণযোগ্য নহ'ব।

৪। যাবতীয় কামৰ বাবে এবাৰ ধনৰ সম্পূৰ্ণ হিচাব খৰচৰ প্ৰমাণ পত্ৰ তত্বাৱধায়কৰ জৰিয়তে দাখিল কৰিলেহে পিচৰ কামৰ বাবে ধন দিয়া বাট মুকলি থাকিব। অনিয়ন্ত্ৰিত হিচাব গ্ৰহণ কৰা নহয়।

৫। পৰিস্থিতি সাপেক্ষে বাজেটৰ অন্তৰ্ভুক্ত নোহোৱা বিষয়ৰ খৰছ ছাত্ৰ একতা সভাৰ বৈঠকত গৃহীত প্ৰস্তাব মৰ্মেহে খৰচ কৰিব পাৰিব। কিন্তু বাজেটত ধাৰ্য্য কৰা ধনৰ বাহিৰে অতিৰিক্ত খৰচৰ কোনো ধৰণৰ মঞ্জুৰী দিয়া নহ'ব।

৬। বিভিন্ন বিভাগৰ সম্পাদকসকলে তত্বাৱধায়কৰ জৰিয়তে সকলো আবেদন অধ্যক্ষলৈ প্ৰেৰণ কৰিব পাৰিব।

## জাতীয় সেৱা আঁচনি ( NSS )—

ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সমাজ আৰু দেশ সেৱাৰ মনোভাৱ জগাই তোলাৰ অৰ্থে যোৱা ১৯৮৯ চনৰ ফেব্ৰুৱাৰীৰ পৰা মহাবিদ্যালয়ত জাতীয় সেৱা আঁচনি ( N.S.S ) প্ৰবৰ্তন কৰা হৈছে।

## মহাবিদ্যালয়ৰ শিক্ষা বিভাগ আৰু বিভাগীয় প্ৰৱক্তা আৰু কৰ্মচাৰীসকল

অধ্যক্ষ – শ্ৰীৰেৱণচন্দ্ৰ নাথ, এম-এ

উপাধ্যক্ষ—শ্ৰীবিদ্যাৰাম নাথ, এম-এ

### ইংৰাজী

১। শ্ৰীদেৱব্ৰত বৰদলৈ, এম-এ মুৰব্বী প্ৰবক্তা

২। শ্ৰীমালিনী নায়াৰ, এম-এ

৩। শ্ৰীদেৱজ্যোতি দত্ত, এম-এ

## অসমীয়া

১। শ্ৰীবিদ্যাৰাম নাথ, এম-এ মুৰব্বী প্ৰবক্তা
২। শ্ৰীমহেন্দ্ৰ কটকী, এম-এ ( ডাবোল ) বি-টি, এম-ফিল
৩। শ্ৰীপ্ৰভ দেৱী, এম-এ
৪। শ্ৰীৰামচন্দ্ৰ ডেকা, এম-এ
৫। শ্ৰীতপন ডেকা, এম-এ
৬। শ্ৰীপ্ৰসন্ন নাথ, এম-এ

## অৰ্থনীতি

১। শ্ৰীদ্বীজেন্দ্ৰ তালুকদাৰ, এম-এ মুৰব্বী প্ৰবক্তা, বিষয়া—জাতীয় সেৱা আঁচনি
২। শ্ৰীমিনতি গোস্বামী, এম-এ
৩। শ্ৰীমদনমোহন নাথ, এম এ

## ৰাজনীতি

১। শ্ৰীকনকচন্দ্ৰ ডেকা, এম-এ মুৰব্বী প্ৰবক্তা
২। শ্ৰীদিবাকৰচন্দ্ৰ দাস, এম-এ
৩। শ্ৰীশৈলেন চহৰীয়া, এম-এ

## শিক্ষা

১। শ্ৰীমোহিনী গোস্বামী, এম-এ, বি-টি মুৰব্বী প্ৰবক্তা
২। শ্ৰীচন্দ্ৰ চৌধুৰী, এম-এ

## বুৰঞ্জী

১। শ্ৰীজয়ন্ত হাজৰিকা, এম-এ ( ডাবোল ) মুৰব্বী প্ৰবক্তা
২। মঃ ইমৰান হুছেইন, এম-এ

## ভূগোল বিজ্ঞান

১। শ্ৰীতীৰ্থনাথ শৰ্মা, এম-এছচি, মুৰব্বী প্ৰবক্তা
২। শ্ৰীতন্দ্ৰালী চৌধুৰী, এম-এ, বি-টি, এম-ফিল
৩। মঃ আব্দুছ ছামাদ, এম-এছচি
৪। শ্ৰীজলতি হাজৰিকা

তৰ্কশাস্ত্ৰ

১। শ্ৰীচক্ৰপাণি বৰা, এম-এ মুৰব্বী প্ৰবক্তা

২। শ্ৰীঅনন্ত বৰুৱা, এম-এ

গ্ৰন্থাগাৰিকা :—শ্ৰীজয়মতী বৰুৱা, ৰি-এ (সম্মান) বি-এল, আইইচি

শ্ৰীৰেৱকান্ত ডেকা ( গ্ৰন্থাগাৰ যোগালী )

## ঃ কৰ্মচাৰীবৃন্দ ঃ

১। শ্ৰীগোলাপচন্দ্ৰ নাথ, বি-এ ( উচ্চবৰ্গ সহায়ক )

২। শ্ৰীপদ্মকান্ত হাজৰিকা, ( নিম্নবৰ্গ সহায়ক )

৩। শ্ৰীগৌতম বৰুৱা, বি-এ ( ,, )

৪। শ্ৰীমুনীনকুমাৰ চহৰীয়া, বি-এছচি ( ,, )

৫। শ্ৰীটঙ্কেশ্বৰ ডেকা, বি-এ ( ,, )

৬। শ্ৰীগজেন্দ্ৰনাথ চহৰীয়া, বি-এ ( ,, )

৭। শ্ৰীমহেন্দ্ৰ শৰ্মা ( কাৰ্য্যালয় পিয়ন )

৮। শ্ৰীনবীন বড়া ( চকিদাৰ )

৯। মঃ দিলচা আলি ( নৈশ চকিদাৰ )

মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, জ্ঞানলিপ্সু ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলৰ ঐকান্তিক আৰু একক প্ৰচেষ্টাৰে ছিপাঝাৰ মহাবিদ্যালয়-খনি পূৰ্ণাঙ্গ ৰূপেৰে অচিৰে সৰ্বাঙ্গসুন্দৰ হৈ দৰং জিলাৰ উচ্চ শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰেৰে আমালৈ গৌৰৱ কঢ়িয়াই আনক ; এই কামনা একান্তই ৰাখিলোঁ। ।

শ্ৰীৰেৱণচন্দ্ৰ নাথ
অধ্যক্ষ, ছিপাঝাৰ মহাবিদ্যালয়
ছিপাঝাৰ, দৰং ঃ অসম

ছিপাঝাৰ
তাং-১-৭-৯২ ইং

॥ গৌতম প্ৰিণ্টাৰ্চ, ছিপাঝাৰ ॥